# চাৰিগৰাকী আধুনিক অসমীয়া শিল্পী

❐ *অংকুৰ ডেকা*

আধুনিক অসমীয়া চিত্ৰকলাৰ ইতিহাস নাতিদীৰ্ঘ যদিও অনেক শিল্পীৰ কামেৰে এই ইতিহাস সমৃদ্ধ হৈছে। সেয়া হ'লেও আমাৰ বোধেৰে আধুনিক অসমীয়া চিত্ৰকলাৰ বিকাশ, বিৱৰ্তন আৰু প্ৰসাৰত শোভা ব্ৰহ্ম , প্ৰণৱ বৰুৱা, নীলপৱন বৰুৱা আৰু বেণু মিশ্ৰৰ ভূমিকা আৰু অৱদান আছে। সেয়ে আমাৰ এই আলোচনা মুখ্যতঃ এই চাৰিগৰাকী চিত্ৰশিল্পীতে সীমাবদ্ধ ৰাখিম। এই লেখাত তেওঁলোকৰ পুংখানুপুংখ জীৱনী নহয়, বৰং তেওঁলোকৰ চিত্ৰৰ গুণাগুণ বিশ্লেষণৰহে চেষ্টা কৰিম—

## শোভা ব্ৰহ্ম



নিঃসন্দেহে শোভা ব্ৰহ্ম অসমৰ এগৰাকী বহুচৰ্চিত শিল্পী। গোসাঁইগাঁৱৰ ভুমকাত ১৯২৯ চনৰ ১৪ অক্টোবৰত তেওঁৰ জন্ম হৈছিল। তেওঁ ধুবুৰীৰ সাপটগ্ৰাম আৰু কটন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি ১৯৫২ চনত শান্তি নিকেতনত নামভৰ্তি কৰিছিল। ১৯৫৭ চনত শোভা ব্ৰহ্মই শিল্পকলাৰ স্নাতক ডিগ্ৰী লৈছিল। সেই সময়ত কলা ভৱনত তেওঁৰ শিল্পাচাৰ্য নন্দলাল বসু, ধীৰেন্দ্ৰ কৃষ্ণ দেৱবৰ্মন, ৰামকিংকৰ বেইজ প্ৰমুখ্যে প্ৰাতঃস্মৰণীয় শিল্পগুৰুসকলৰ সান্নিধ্য পোৱাৰ সৌভাগ্য ঘটিছিল। শিক্ষাগ্ৰহণ সম্পূৰ্ণ কৰি তেওঁ অসমলৈ উভতি আহি আমৃত্যু (মৃত্যু ঃ ৫ মাৰ্চ, ২০১২ গুৱাহাটী) অসমৰ বুকুতে সম্পূৰ্ণ নিগাজীকৈ শিল্পকলাৰ সৰ্বাংগীণ বিকাশৰ বাবে একাণপতীয়াকৈ লাগি আছিল। চৰকাৰী চাৰু-কাৰু কলা মহাবিদ্যালয়ক এক দুৰ্যোগপূৰ্ণ সময়ত তেওঁ নিষ্ঠা আৰু আন্তৰিকতাৰে নেতৃত্ব দিছিল। শিল্পকলাত নিবেদিত প্ৰাণৰ এইগৰাকী শিল্পীয়ে প্ৰায় ছটা দশক ধৰি নিৰৱচ্ছিন্নভাৱে পৰিশ্ৰম কৰি যি অনন্য শিল্পসম্ভাৰ সৃষ্টি কৰিছিল—তাৰ দৃষ্টান্ত আমাৰ ৰাজ্যত দুৰ্লভ বুলিলেও অত্যুক্তি কৰা নহয়। ব্ৰহ্মৰ চিত্ৰগত চেতনা আৰু জিজ্ঞাসা, শিল্পচৰ্চা আৰু সৃষ্টিৰ প্ৰতি ব্যাকুল হাবিয়াস, অসাধাৰণ নিষ্ঠা—সঁচাকৈয়ে প্ৰশংসনীয়।

শোভা ব্ৰহ্মৰ চিত্ৰ আৰু ভাস্কৰ্য উভয়ে অৱয়বী (figurative)। এগৰাকী অৱয়বী শিল্পীৰ বাবে মানুহেই চিন্তা-চৰ্চাৰ কেন্দ্ৰবিন্দু। আক্ষৰিক অৰ্থতে শোভা ব্ৰহ্ম এগৰাকী মানৱতাবাদী শিল্পী। মানুহৰ দুখ-দৈন্য, আনন্দ-বেদনাই তেওঁৰ শিল্পকলাক এক অক্ষয় মানৱীয় আয়তন প্ৰদান কৰিছে। উত্তৰ-মনচ্ছায়াবাদ, বিশেষকৈ অভিব্যক্তিবাদ, প্ৰাচীন ভাৰতীয় চিত্ৰ-ভাস্কৰ্যৰ ঐতিহ্য, আধুনিক আদিমতাবাদ, উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় আৰু লোককলাৰ ঐতিহ্য, যোৱা শতিকাৰ চল্লিশ-পঞ্চাশ-ষাঠিৰ দশকৰ ভাৰতীয় শিল্পকলাৰ ভাষাশৈলী, শিল্পদৰ্শন বা নন্দনতত্ত্বৰ সংশ্লেষণ আৰু স্বীকৰণৰ মাজেৰে ব্ৰহ্মই স্বকীয় চিত্ৰভাষা বা শৈলীৰ সৃষ্টি কৰি লৈছিল।

ষাঠিৰ দশকৰ পৰাই ব্ৰহ্মই একেৰাহে প্ৰায় মৃত্যুৰ সময়লৈকে ছবি আঁকি আছিল, মূৰ্তিও সাজিছিল। আশী আৰু নৱৈৰ দশক দুটাকে ব্ৰহ্মৰ শিল্পী জীৱনৰ আটাইতকৈ ফলৱতী আৰু গুৰুত্বপূৰ্ণ দশক বুলি চিহ্নিত কৰিব পাৰি। তেওঁৰ উল্লেখযোগ্য কিছুমান ছবি হ'ল—'ফলেন ট্ৰী', 'দি ইভেণ্ট', 'আৰ্গুমেণ্টছ্', 'ৰিলিজ', 'প্ৰিমিটিভ গ্ল'ৰী', 'অ'ল্ড এ'জ', 'হোমেজ টু ভেন গখ্', 'নৰ-নাৰী', 'আফটাৰমাথ', 'কিং অব্ স্প্ৰিং', 'জোৱান দা আৰ্ক',



‘খেৰাই’ ইত্যাদি। তেওঁৰ সাৰ্থক তেল ৰঙৰ ছবিবোৰ স্বতঃস্ফূৰ্ত, সৃষ্টিধৰ্মী চিত্ৰগুণেৰে ঐশ্বৰ্য্যশালী আৰু মৌলিক। ৰূপৰ (form) দৰে স্পন্দিত বৰ্ণও ব্ৰহ্মাৰ ছবিৰ ঐশ্বৰ্য। বিভিন্ন সময়ত আঁকা তেওঁৰ কেইবাখনো ড্ৰয়িঙো ৰসোত্তীৰ্ণ।

শোভা ব্ৰহ্মাৰ ছবিৰ প্ৰধান বৈশিষ্ট্য কেইটামান হ’ল—বৃহদাকাৰ চিত্ৰপট, বিশাল অৱয়ব, মনোধৰ্মী বিকৃতিকৰণ, কাৰুণ্য-সহানুভূতিৰ আভাস আৰু সেইবোৰৰ মাজত বৈপৰীত্যৰ সঞ্চাৰ, স্থান (space) পূৰণৰ স্বকীয় পদ্ধতি, উজ্জ্বল ৰঙৰ সঘন ব্যৱহাৰ ইত্যাদি। মন কৰিবলগীয়া যে তেওঁৰ ছবিৰ ‘ইমেজ’ আহিছে আমাৰেই চৌপাশৰ সামাজিক-ৰাজনৈতিক বাস্তৱৰ পৰাই।

ছবি আঁকাৰ সমান্তৰালকৈ ব্ৰহ্মাই ভালেমান মূৰ্তিও কৰিছিল। কাঠ খোদাই মাধ্যমত ব্ৰহ্মাই কৰা কেইটামান উল্লেখযোগ্য মূৰ্তি হ’ল, ‘মিথিকেল ফিগাৰ’, ‘মাদাৰ এণ্ড ছন’, ‘ওমেন বাৰ্ড’, ‘এড্ৰেছ টু আনন’ন’ ইত্যাদি। অদমনীয় প্ৰাণশক্তিৰ অধিকাৰী ব্ৰহ্মাই ‘শিল্পকলাৰ নৱজন্ম’, ‘লিঅ’নাৰ্ডো ডা ভিন্সি ঃ জীৱন চিত্ৰকলা’ প্ৰমুখ্যে দুখনমান শিল্পকলা বিষয়ক মূল্যৱান গ্ৰন্থও ৰচনা কৰিছিল। ‘গোলাপ ৰঙা সোণালী’ শীৰ্ষক তেওঁৰ আত্মজীৱনীখনো চিত্তাকৰ্ষক।

## প্ৰণৱ বৰুৱা

শিল্পী প্ৰণৱ বৰুৱা (জন্ম ঃ ২২ ফেব্ৰুৱাৰী, ১৯৩৪ চন, মৃত্যু ঃ ১৪ ফেব্ৰুৱাৰী, ২০০২ চন) সম্ভৱতঃ অসমৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিকৃতি চিত্ৰকৰ। বৰুৱাই ১৯৬৩ চনতে মুম্বাইৰ ছাৰ জে.জে আৰ্ট স্কুলৰ পৰা সুকুমাৰ কলাৰ ডিপ্ল’মা লৈছিল। তেওঁৰ প্ৰতিকৃতি চিত্ৰত তেনে তীব্ৰ ভাব আৰু অনুভূতিৰ প্ৰকাশ আমাৰ চকুত পৰা নাই। বোধহয় তাহানি সুৰেন বৰদলৈয়ে আঁকা দুই-এখন প্ৰতিকৃতি চিত্ৰতহে বৰুৱাৰ দৰে ভাব আৰু অনুভূতিৰ প্ৰকাশ সম্ভৱ হৈছিল। প্ৰতিকৃতি চিত্ৰ অংকনৰ বেলিকা প্ৰণৱ বৰুৱাৰ দৃষ্টি অন্তৰ্মুখী। যেন সন্মুখত যি আছে তাত তেওঁৰ উৎসাহ নাই, পৰিৱৰ্তে মনৰ গহন কোণতনো কি আছে সেই সত্য উদ্ধাৰ কৰাই হ’ল তেওঁৰ উদ্দেশ্য। গীতিধৰ্মী ৰেখা আৰু গম্ভীৰ ৰঙৰ ভাস্বৰতাৰ মাজেৰে প্ৰণৱ বৰুৱাৰ প্ৰতিকৃতি চিত্ৰত সদায় অন্তৰতম চৰিত্ৰই উদ্ভাসিত হৈ উঠে। এই সত্য অৱশ্যে বৰুৱাৰ অন্যান্য ছবিলৈও সম্প্ৰসাৰিত কৰিব পাৰি।

চিৰতৰুণ-সুদৰ্শন শিল্পী প্ৰণৱ বৰুৱা আছিল নগাঁও চহৰৰ এক অক্ষয়-অম্লান আকৰ্ষণবিন্দু। কলংপাৰৰ চহৰখনৰ চৌপাশৰ ভয়ংকৰ ভঙা-গঢ়াৰ মাজত তেওঁ যেন আছিল এটা শান্ত-সমাহিত ধ্ৰুৱক বিন্দু, স্বৰূপাৰ্থতে এটা বিশ্বস্ত, স্থায়ী স্থানচিহ্ন (landmark)। উল্লেখযোগ্য যে প্ৰণৱ বৰুৱাই তেওঁৰ গৃহভূমি নগাঁৱত ‘কল্লোল’ নামৰ গোষ্ঠীৰ যোগেদি শিল্প-সংস্কৃতিৰ চৰ্চাৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টিৰ বাবে আমৃত্যু ব্ৰতী হৈ আছিল। সত্তৰৰ দশকৰ শেষ ভাগত আত্মপ্ৰকাশ কৰা অসমৰ আন দুগৰাকী





শক্তিশালী চিত্ৰকৰ ননী বৰপূজাৰী আৰু সমীৰণ বৰুৱা এসময়ত প্ৰণৱ বৰুৱাৰে ছাত্ৰ আছিল। দেশ-বিদেশৰ সকলো প্ৰধান শিল্পীৰে থাকে একো একোটা স্বকীয় চিত্ৰভাষা—শিল্পী প্ৰণৱ বৰুৱাৰ ছবি বুলিলে মুখ্যতঃ ঈষৎ অনুজ্জ্বল বৰ্ণৰে (অৱশ্যে এক্ৰিলিক মাধ্যমৰ ছবিখিনি উজ্জ্বল), বিবিধ দেহ ভংগিমাৰে এমুঠি দীৰ্ঘকায় নাৰী-পুৰুষৰ অৱয়ৱ, কেতবোৰ বিষণ্ণ মুখ আমাৰ চকুলৈ ভাহি আহে। ১৯৬৯ চনত আঁকা ‘ৰেটিং’ নামৰ ছবিৰ পৰা আৰম্ভ কৰি প্ৰণৱ বৰুৱাৰ কেবাখনো ছবিতে নগ্ন নাৰীৰ উপস্থিতি দেখা যায় যদিও তাত অৱশ্যে যৌন আবেদনৰ সামান্য চেষ্টাও নাই। বিশিষ্ট কলা-সমালোচক মৌচুমী কন্দলীয়ে ক’বৰ দৰে—‘তেনেবোৰ শৰীৰত দেহজ অভিব্যক্তিৰ ঊৰ্দ্ধত অন্য এক বোধাতীত মননৰূহ অভিনিৱেশ ফুটি উঠিছিল।’ তেওঁৰ কেইখনমান উল্লেখযোগ্য চিত্ৰ হ’ল—‘দ্য হৰিজন বয়’, ‘থ্ৰী উইড’ছ’, ‘ফেচ আণ্ডাৰ দা হেট’, ‘লিটিল বুদ্ধ’ আদি। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ‘অভিসাৰ’ নামৰ কবিতাৰ অৱলম্বনত আঁকা ‘উপগুপ্ত এণ্ড বাসৱদত্ত’ হ’ল প্ৰণৱ বৰুৱাৰ এখন বহুচৰ্চিত ছবি। প্ৰণৱ বৰুৱাৰ বাবে ফৰ্মেই আছিল ছবিৰ মূল কথা—আকাংক্ষিত ফৰ্মপ্ৰাপ্তিৰ খাতিৰত তেওঁ এইখন ছবিত আনকি উপগুপ্তক এজন জনজাতীয় যুৱকৰূপে উপস্থাপন কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল।

## নীলপৱন বৰুৱা

১৯৩৬ চনত যোৰহাটৰ ওচৰৰ টীয়কত জন্মা নীলপৱন বৰুৱাই ১৯৬৬ চনত শান্তি নিকেতনৰ পৰা শিল্পকলাৰ স্নাতক ডিগ্ৰী লৈছিল। তাৰ পিছত বৰুৱাই শ্ৰীনিকেতনৰ CITত মৃৎশিল্পৰ দুবছৰীয়া পাঠ্যক্ৰম এটাও সমাপ্ত কৰিছিল। শান্তি নিকেতন-শ্ৰীনিকেতনৰ পৰা ঘূৰি আহি বৰুৱাই স্থায়ীভাৱে অসমতে শিল্পকলাৰ সামগ্ৰিক বিকাশ-বুদ্ধিৰ বাবে আন্তৰিকতাৰে আজিকোপতি লাগি আছে। গুৱাহাটীৰ জজ্ ফিল্ডৰ এচুকৰ নিঃসংগ ঘৰটোতে শিল্পসাধনা আৰম্ভ কৰা বৰুৱাৰ মানসপুত্ৰ ‘অসম ফাইন আৰ্টছ এণ্ড ক্ৰাফ্টছ ছ’চাইটী’। উদ্যমহীন-নিৰুত্তাপ-নিৰুদ্বেগ সামাজিক-সাংস্কৃতিক পৰিৱেশ অথবা নিন্দা-গঞ্জনা বা অবৰ্ণনীয় অৰ্থনৈতিক সংকটেও নীলপৱন বৰুৱাক ৰং-তুলিকাৰ পৰা কাহানিও দূৰৈত ৰাখিব নোৱাৰিলে। প্ৰধানকৈ অদমনীয় দৃশ্যগত জিজ্ঞাসা, বিচিত্ৰ কল্পনাশক্তি, জীৱন-জগতক ন নকৈ আৱিষ্কাৰৰ এক সৃষ্টিশীল উন্মাদনা আৰু সুখে-দুখে, জাৰে-জহে চিৰ সক্ৰিয় এটা মন থকা কাৰণেই সম্ভৱতঃ বৰুৱাই এশ-এবুৰি প্ৰতিকূল পৰিস্থিতিৰ মাজতো এনেদৰে বছৰ বছৰ ধৰি ছবি আঁকি থাকিবলৈ সমৰ্থ হৈছে। ছবি আঁকাই নীলপৱন বৰুৱাৰ তাড়না। বোধহয় বৰুৱাই ছবি আঁকাৰ তাড়না অনুভৱ কৰিলে, ছবিখনক লৈ দৰ্শকৰ সম্ভাব্য প্ৰতিক্ৰিয়া অথবা ছবিৰ সাৰ্থকতাক লৈ উদ্বিগ্ন নহয়—মাথোঁ স্বচ্ছন্দে, একান্ত মনে ছবিকে আঁকে।

নীলপৱন বৰুৱাৰ ড্ৰয়িং আৰু পেইণ্টিংবোৰৰ সৰহভাগেই অৱয়বী। সেই অৰ্থত বৰুৱা প্ৰধানকৈ অৱয়বী, এজন ৰূপ সচেতন চিত্ৰশিল্পী। অৱশ্যে চৰাই, ঘোঁৰা প্ৰভৃতি বিষয়বস্তুৰো বৰুৱাৰ কেইবাখনো ছবি আছে। সৰলীকৰণ (smplification) আৰু বিকৃতিকৰণৰ (distortion) ফলত

বৰুৱাৰ মানুহ, চৰাই-চিৰিকটি অথবা জীৱ-জন্তু বিধাতাৰ সৃষ্টি হৈ নাথাকিল, সঁচা অৰ্থতে সেইবোৰৰ বিধাতা স্বয়ং শিল্পী নীলপৱন বৰুৱাহে। বৰুৱাৰ শিল্পী জীৱনৰ এক অবিচ্ছেদ্য অংগ হ'ল ড্ৰয়িং। সাৰ্থক ড্ৰয়িংখিনিৰে বৰুৱাই আমাৰ শিল্পজগতত এক বিশিষ্ট আসন দখল কৰিছে।

বহল অৰ্থত সকলো সময়ৰ গুৰুত্ব পূৰ্ণ শিল্পীসকল হ'ল 'অলৌকিক দৃষ্টিসম্পন্ন', কিয়নো তেওঁলোকে আমাক আমাৰ পৰিচিত পৃথিৱীখনক সম্পূৰ্ণ অন্য দৃষ্টিৰে চাবলৈ বাধ্য কৰায়। বৰুৱাৰ ছবিয়েও এই জগতখনক আমাক নতুন ধৰণে চাবলৈ শিকায়, নতুন ভাবৰ প্ৰতি আগ্ৰহী কৰে। বৰুৱাৰ সৰহভাগ ছবিত এক বা একাধিক যন্ত্ৰণাকাতৰ, অসহায় মুখ, যেন বিষাদেই তেওঁৰ ছবিৰ প্ৰধান বৈশিষ্ট্য। বৰুৱাই 'ৰাছ টেমেপৰা'ৰ পৰা আৰম্ভ কৰি বিভিন্ন মাধ্যমত ভিন্ন আংগিকত ছবি আঁকিছে। কাগজৰ মণ্ড, জুইশলা বাহ, চাৰমিনাৰ চিগাৰেটৰ বাহত ছবি আঁকি এটা নতুন বাট কাটিছে। মিশ্ৰ মাধ্যমৰ ছবি কিছুমানত স্পৰ্শানুভূতিৰ পুলকো অনুভৱ কৰা যায়।

যোৱা দুই শতাব্দীত ইউৰোপত হোৱা বিভিন্ন শিল্প আন্দোলনৰ সৰ্বগ্ৰাণী প্ৰভাৱৰ পৰা পৃথিৱীৰ কোনো শিল্পী সম্পূৰ্ণ আঁতৰত থাকিবলৈ সমৰ্থ হোৱা নাই। নীলপৱন বৰুৱাও ইয়াৰ ব্যতিক্ৰম নহয়, বিশেষকৈ অভিব্যক্তিবাদ, ত্ৰিকোণবাদ, প্ৰাচীন ভাৰতীয় চিত্ৰৰ ঐতিহ্য, আধুনিক আদিমতাবাদ, উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতীয় লোককলাৰ ঐতিহ্য, দেশ-বিদেশৰ বিভিন্ন শিল্পদৰ্শনৰ সংশ্লেষণ আৰু আত্মীকৰণৰ মাজেৰে বৰুৱাই এটা নিজা চিত্ৰভাষাৰ সৃষ্টি কৰিছে। দেশী-বিদেশী বহু প্ৰখ্যাত শিল্পীৰ দৰে নীলপৱন বৰুৱাৰো শিল্পীৰ অবাধ স্বাধীনতাত পৰম বিশ্বাস। বৰুৱাৰ ছবিৰ



বিচিত্ৰ অভিব্যক্তি, 'ইমেজ'ৰ অভিনৱত্ব আৰু তীব্ৰ সন্মোহিনী শক্তিয়ে সহজে দৰ্শকৰ সংগ নেৰে।

## বেণু মিশ্ৰ

বৰপেটা সত্ৰৰ দুটা মিশ্ৰ পৰিয়ালৰ এটাত বেণু মিশ্ৰৰ জন্ম হৈছিল ১৯৩৯ চনৰ ২৭ নৱেম্বৰত। পৃথিৱীৰ সকলো মানুহৰে ভৱিষ্যৎ জীৱন গঢ়াত শৈশৱে সদায় এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে, বেণু মিশ্ৰও ব্যতিক্ৰম নহয়। তেওঁৰ ককাদেউতাক দেৱেন্দ্ৰনাথ মিশ্ৰ আছিল বৰপেটা বিদ্যাপীঠৰ ড্ৰয়িঙৰ শিক্ষক। আচৰিত ল'ৰা বেণু মিশ্ৰ। ঘৰুৱা বান্ধোনত একপ্ৰকাৰ অতিষ্ঠ হৈ এদিন তেওঁ সপোনপুৰী কলিকতালৈ যাওঁ বুলি ৰে'লত উঠিল, কিন্তু ৰে'ল ৰ'লগৈ ডিব্ৰুগড়তহে। কেনেবাকৈ তিনিচুকীয়ালৈ গৈ ছাইনব'ৰ্ড লিখা দোকানত পেইণ্টাৰৰূপে সোমাল। ঘৰৰ মানুহে এসময়ত ধৰি-বান্ধি মিশ্ৰক গুৱাহাটীলৈ লৈ আনিলে। ১৯৫৭ চনত তেওঁ স্বনামধন্য কটন কলেজিয়েট স্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ



হ'ল। সেইটো বছৰতেই তেওঁ অসম চৰকাৰৰ আশী টকীয়া এটা বৃত্তি পাই শান্তি নিকেতনৰ কলা ভৱনত নামভৰ্তি কৰিলে। ১৯৬১ চনত তেওঁ 'ফাইন আৰ্ট এণ্ড ক্ৰাফট্ছ' বিষয়ত চাৰি বছৰীয়া ডিপ্ল'মা অৰ্জন কৰে। এবছৰ তাত বেলেগ কিবাকিবি কাম-বন কৰি মেলি বাষষ্ঠিতহে গুৱাহাটীলৈ ঘূৰিল। সেইটো বছৰতে তেওঁ জনসংযোগ বিভাগত আৰ্টিষ্টৰূপে যোগদান কৰে। বেণু মিশ্ৰৰ প্ৰথমখন একক চিত্ৰ প্ৰদৰ্শনী ১৯৬৪ চনত নেপালৰ কাঠমাণ্ডুতহে অনুষ্ঠিত হৈছিল। ১৯৭৩ চনটো মিশ্ৰৰ জীৱনৰ বিশেষভাৱে এক উল্লেখযোগ্য বছৰ, সেইটো বছৰতে তেওঁ পূব জাৰ্মানীত অনুষ্ঠিত দশম বিশ্ব যুৱ মহোৎসৱত যোগদান কৰি বাৰ্লিন, ড্ৰেছডেন, লিপঝিগ আদি ঠাই ভ্ৰমণৰ সুযোগ পাইছিল। একেটা বছৰতে ৰাজলক্ষ্মী ভট্টাচাৰ্যৰ লগত বিবাহ সম্পন্ন হোৱাৰ উপৰি তেওঁক কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক আৰু কলা দপ্তৰৰ 'ফেল'শ্বিপো' প্ৰদান কৰা হৈছিল। বেণু মিশ্ৰৰে এক যাউতিযুগীয়া কৃতিত্ব হ'ল 'গুৱাহাটী আৰ্টিষ্ট গীল্ড'ৰ জন্ম—১৯৭৬ চনৰ ১১ জুলাইত আনুষ্ঠানিকভাৱে স্থাপন হোৱা গীল্ডৰ প্ৰতিষ্ঠাপক সভাপতি আছিল বেণু মিশ্ৰ।

আজি অৰ্ধ শতাব্দীৰো অধিক কালজুৰি মিশ্ৰই বিচিত্ৰ বিষয়ৰ, বিভিন্ন মাধ্যমত ছবি আঁকি আহিছে। পানী ৰং, ক'লাজ, এক্ৰিলিক, তেল ৰং প্ৰমুখ্যে সকলো মাধ্যমতে বেণু মিশ্ৰ সিদ্ধহস্ত। আশীৰ দশককে মিশ্ৰৰ শিল্পজীৱনৰ আটাইতকৈ সৃষ্টিশীল সময় বুলি গণ্য কৰা হয়। তেওঁৰ জীৱনৰ উজ্জ্বল কীৰ্তিস্বৰূপ 'ডে'থ' আৰু 'চেয়াৰ' সেইটো দশকৰে ৰচনা। মিশ্ৰৰ আন কেইখনমান সাৰ্থক চিত্ৰ হ'ল—'পেনিকী', 'পোৰ্ট্ৰেট অব্ এ ফ্ৰেণ্ড', 'মুনলিট নাইট', 'লাষ্ট ছাপাৰ', 'ফাদাৰ এণ্ড ছন', 'এ হট নিউজ', 'চিটিস্কেপ' ইত্যাদি।

বেণু মিশ্ৰই প্ৰায় আঠ হাজাৰ ড্ৰয়িং আঁকিছে। তেওঁৰ উৎকৃষ্ট ড্ৰয়িংখিনি প্ৰধানতঃ ৰেখানিৰ্ভৰ। ৰেখা অংকনত মিশ্ৰ সংযমী, মিতব্যয়ী। একেবাৰে সাধাৰণ মানুহৰ প্ৰাত্যহিক জীৱনেই বেণু মিশ্ৰৰ ড্ৰয়িঙৰ প্ৰধান উপজীব্য।

ষাঠিৰ দশকৰ পৰা এতিয়ালৈকে বেণু মিশ্ৰই অসমীয়া, ইংৰাজী আৰু বাংলা ভাষাৰ প্ৰায় পাঁচ হাজাৰ কিতাপ-আলোচনীৰ প্ৰচ্ছদচিত্ৰ আঁকিছে। তেওঁ অসমৰ প্ৰচ্ছদচিত্ৰক নিঃসন্দেহে এক নতুন মাত্ৰা আৰু মৰ্যাদা দিলে। স্বীকাৰ্য যে মিশ্ৰৰ প্ৰায় প্ৰতিখন প্ৰচ্ছদচিত্ৰই নয়নাভিৰাম আৰু কলাসন্মত, এবাৰ চালে দুনাই চাবৰ হেঁপাহ জন্মে। একেদৰে মিশ্ৰৰ চিত্ৰায়ণৰ (illustration) সংখ্যাটোও একেবাৰে সৰু নহ'ব, সম্ভৱতঃ প্ৰচ্ছদচিত্ৰৰ সমানেই তেওঁ চিত্ৰায়ণো কৰিছে। ক'লা-বগা, ৰঙীন চিত্ৰায়ণখিনিৰো এক বিশেষ মূল্য আছে। পাহৰা অনুচিত যে অৱয়বী চিত্ৰকৰ বেণু মিশ্ৰ এগৰাকী ভাস্কৰো—তেওঁ কনকলতা আৰু মুকুন্দ কাকতিৰ ব্ৰঞ্জৰ মূৰ্তি নিৰ্মাণ কৰিছে, মহাত্মা গান্ধীৰ মূৰ্তিও কৰিছে। ❐❐

*(লেখক সম্প্ৰতি 'গৰীয়সী'ৰ জ্যেষ্ঠ উপ-সম্পাদক*
*ফোন নং ঃ ৯৮৬৪০-৭০১৪৪)*

# ব্ৰহ্মপুত্ৰ তুমি ইতিহাসৰ এক জীৱন্ত দলিল

❒ *পুলিন ডেকা*

ব্ৰহ্মপুত্ৰ,তুমি ইতিহাসৰ এক জীৱন্ত দলিল
ভলুংবুথু, টিলাও, লাওতি, লুইতি, লোহিত, লোহিত্যৰ পৰা জীৱন্ত ধাৰাত
তোমাৰ পৰিচয় ব্ৰহ্মপুত্ৰ
হিম আলয়ৰ ছাঁত চাংপোৰ কি নিৰৱধি
মোৰ দেশৰ মাটিত চিয়াঙৰ চাৰনিত
দিবং, দিবঙৰ মিলনৰ সুৰেৰেই তোমাৰ প্ৰকাশ
শদিয়াৰ পৰা ধুবুৰীলৈ সহস্ৰাব্দৰ যাত্ৰাপথত
লোককথাৰ পৰা লোকজীৱনৰ এক জীপাল পৰশত
গঢ় লোৱা পাহাৰ-ভৈয়ামৰ ছবিখন
অথবা উজ্জীৱিত প্ৰকৃতিৰ সেউজ আভৰণতে
ৰং আৰু সান্নিধ্যৰ বিপুল সমাহাৰ
ভাদমহীয়া অশান্ত, চঞ্চল লহৰৰ স'তে
শংকৰদেৱৰ বজ্ৰ কঠিন হাত,শৰাইঘাটৰ মহাৰণ,
লক্ষ্মী-পূৰ্ণিমাৰ আলোকৰ সাক্ষী লক্ষ্মীনাথ,
আৰু অজস্ৰ ঘটনাৰ ইতিহাস ৰচি
মনৰ বাতৰি যাচি, সময়ৰ আহ্বান গঢ়িছা
জীৱন সুৰৰ কি যে লালিত্য
পলসৰ অনুভূতিৰে জীপাল কৰিছা মাটি
অভিমানী বুকুৰে ভাঙিছা আশাৰ ৰবঘৰ
মাজুলী অথবা উমানন্দৰ পৰশেৰে
বা দি বতাহজাকক কৈ যোৱা অলেখ বতৰাতে
মানস সৰোবৰৰ গুণগুণি শুনো
জীৱনৰেখাৰ সীমাহীনতাৰ দীঘ-বাণিত
নাৱৰীয়াৰ বোৱতী ব'ঠাৰ শব্দৰ ৰূপকথাত
জিলিকাই তোলা ধিমিক-ধামাক ৰেঙনিত
তুমি পলে-পলে গঢ়িছা শিশুৰ সপোনৰ ৰংঘৰ
বালিচৰৰ স'তে জীৱনৰ ছন্দ নগঢ়িবা
উজনি-নামনিৰ মিলনৰ এনাজৰীত
দেৱত্বৰ পৰশৰে বিধৌত কৰিব পৰা
প্ৰাত্যহিক বিশালতাক ছটিয়াই দিয়া
নমামিৰ ছন্দে-ছন্দে,ৰন্ধ্ৰে-ৰন্ধ্ৰে ।

# সময়

❒ *জোনমণি দাস*

ঘড়ীৰ ঘূৰণত ঘূৰা
তিনিডাল কাঁটাৰ টিকনিৰে সময় উৰে,
অথচ সময়ে সাঁচি থয়
সময়ৰ বুৰঞ্জী

পুৰণি হৈ সাঁচিপাত সোঁৱৰণি হয়,
ভেঁকুৰে বুৰঞ্জীৰ উৰলা পৃষ্ঠা ঢাকে।
অথচ সময়ে নমচালৈকে সাধ্য কাৰ মচিবৰ
সময়ে লিখা সময়ৰ আখৰ!

ঘড়ীৰ কাঁটাৰ ঘূৰণত ঘূৰি
উৰা মৰা সময়ে চিনি নাপায় ওভতনিৰ বাট
কিন্তু চেকনিৰে কোবাই সময়ে শিকায়
জীৱনৰ পাঠশালাত জীৱনৰ পাঠ...

সময়ক সময়ৰ পৰা মুক্তি দি মই
সময়ৰ নাম থ'লো শিল
শিলৰ নাম থ'লো সত্য

মোৰ মৌনতাৰ মূধত এতিয়া
বিয়পি আছে মোৰ আহুকলীয়া অতীত
শিল-সময় য'ত জন্মোতেই জড়

মই সময়ৰ কবি
সময় মোৰ সময়ৰ সনাতন সাক্ষী
সময়ক সাৰথি কৰি লিখি আছো
সময়ৰ কবিতা।

# বিমুদ্ৰাকৰণ আৰু পে টি এম




❐ *সীমান্ত শইকীয়া*

*আজিকালি সকলোৰে মুখত শুনিবলৈ পোৱা এটি নাম হ'ল পে টি এম। টিভি, বাতৰি কাকত, বিজ্ঞাপন, ছ'চিয়েল মিডিয়া আদি সকলোতে আজিকালি পে টি এমৰ বিষয়ে শুনিবলৈ অথবা দেখিবলৈ পোৱা যায়। ইয়াৰ সম্পূৰ্ণ নামটো হ'ল 'Pay Through Mobile' অৰ্থাৎ মোবাইলৰ জৰিয়তে বিল পৰিশোধ কৰা। মোবাইল বিল ৰিচাৰ্জ কৰাই হওক অথবা টেক্সী বা কেবত বিল পৰিশোধ কৰাই হওক, চিনেমাৰ টিকট বুক কৰা অথবা প্লে'নৰ টিকট বুক কৰাকে ধৰি সকলোতে পে টি এম ব্যৱহাৰ কৰিব পৰা যায়। বৰ্তমান মেডিকেল ষ্টʼৰত বিল পেমেণ্ট কৰা, চাহ দোকানত বিল পেমেণ্ট কৰাৰ বাবেও আনকি পে টি এম ব্যৱহাৰ কৰা দেখা গৈছে।*

৮ নৱেম্বৰ ২০১৬। এই দিনটো ভাৰতৰ অৰ্থনীতিত এক পাহৰিব নোৱাৰা দিন। সেইদিনাই আমাৰ দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হঠাতে প্ৰৱৰ্তন কৰিল নতুন মুদ্ৰা নীতি। মূলতঃ দেশত বৃদ্ধি পোৱা জালনোটৰ অবাধ প্ৰচলন আৰু ক'লাধন জমাকাৰীক কাবু কৰাৰ বাবেই প্ৰৱৰ্তন কৰা নতুন মুদ্ৰানীতিৰ ফলত একে নিশাৰ ভিতৰতে বন্ধ হৈ পৰিল পুৰণি পাঁচশ আৰু এহেজাৰ টকীয়া নোট। তাৰ সলনি প্ৰৱৰ্তন কৰা হ'ল নতুন পাঁচশ আৰু দুহেজাৰ টকীয়া নোট। দেশৰ সকলো প্ৰান্ততে এই নীতিক ৰাইজে বিপুল সঁহাৰিৰে আদৰণি জনালে। চৰকাৰে বান্ধি দিয়া নিৰ্দিষ্ট সময়ৰ ভিতৰত জনসাধাৰণে তেওঁলোকৰ সৈতে ৰখা সকলো পুৰণি পাঁচশ আৰু এহেজাৰ টকীয়া নোট বেংকত জমা দিব লাগিব। দেশৰ সকলো নাগৰিকে বহু কষ্ট কৰি হ'লেও পুৰণি পাঁচশ টকীয়া আৰু এহেজাৰ টকীয়া নোটসমূহ বেংকত জমা দিলে। জমা হোৱা নোটসমূহৰ ঠাইত প্ৰথমতে উলিয়াই দিয়া হ'ল দুহেজাৰ টকীয়া নোট। পাছলৈ পাঁচশ টকীয়া নোটো প্ৰচলন কৰা হ'ল। এইখিনিতে এটি সমস্যাই সাধাৰণ জনতাক বাৰুকৈয়ে জুৰুলা কৰিলে। এই সমস্যাটো আছিল নতুন দুহেজাৰ আৰু পাঁচশ টকাৰ খুচুৰাৰ অভাৱ। কিবা বস্তু কিনোতে বা দোকানীয়ে বস্তুৰ দামটো ৰাখি বাকীখিনি ঘূৰাই দিবলৈ খুচুৰাৰ অভাৱ। সকলোৱে খুচুৰা বিচাৰি হাবাথুৰি খাবলগীয়া হ'ল। যিদৰে সকলো সমস্যাৰে সমাধান থাকে, সেইদৰে এই সমস্যাৰো সমাধান নথকা নহয়। এই খুচুৰাৰ সমস্যাটোৰ সমাধান হ'ল 'কেছলেছ অনলাইন ট্ৰানজেকচন'। অৰ্থাৎ বস্তুৰ মূল্য হাতে হাতে প্ৰদান কৰাৰ সলনি অনলাইনযোগে পেমেণ্ট কৰা। কেছলেছ অনলাইন ট্ৰানজেকচনৰ ভিতৰত হ'ল— ডেবিট কাৰ্ড, ক্ৰেডিট কাৰ্ড, ই-ৱালেট, নেট বেংকিং আৰু বহু মোবাইল এপ্লিকেচন যেনে পে টি এম, ফ্ৰীচাৰ্জ, এছ বি আই ফ্ৰীডম, এছ বি আই বাডী ইত্যাদি। কিন্তু এইখিনিতে সমস্যাটো হ'ল জনতাই এই ধৰণৰ কেছলেছ অনলাইন ট্ৰানজেকচনৰ বিষয়ে বা ইয়াৰ ব্যৱহাৰৰ বিষয়ে নাজানে। এই লেখাত পে টি এমনো কি বা ইয়াক কেনেকৈ

ব্যৱহাৰ কৰা হয় তাৰ বিষয়ে কিছু আভাস দিয়াৰ চেষ্টা কৰা হৈছে।

**পে টি এমনো দৰাচলতে কি ঃ**

আজিকালি সকলোৰে মুখত শুনিবলৈ পোৱা এটি নাম হ'ল পে টি এম। টিভি, বাতৰি কাকত, বিজ্ঞাপন, ছ'চিয়েল মিডিয়া আদি সকলোতে আজিকালি পে টি এমৰ বিষয়ে শুনিবলৈ অথবা দেখিবলৈ পোৱা যায়। ইয়াৰ সম্পূৰ্ণ নামটো হ'ল 'Pay Through Mobile' অৰ্থাৎ মোবাইলৰ জৰিয়তে বিল পৰিশোধ কৰা। মোবাইল বিল ৰিচাৰ্জ কৰাই হওক অথবা টেক্সী বা কেবত বিল পৰিশোধ কৰাই হওক, চিনেমাৰ টিকট বুক কৰা অথবা প্লে'নৰ টিকট বুক কৰাকে ধৰি সকলোতে পে টি এম ব্যৱহাৰ কৰিব পৰা যায়। বৰ্তমান মেডিকেল ষ্ট'ৰত বিল পেমেণ্ট কৰা, চাহ দোকানত বিল পেমেণ্ট কৰাৰ বাবেও আনকি পে টি এম ব্যৱহাৰ কৰা দেখা গৈছে।

পে টি এম হ'ল একপ্ৰকাৰৰ অনলাইনযোগে বস্তুৰ মূল্য পৰিশোধ কৰা ব্যৱস্থা। ইয়াৰ পৰা নগদ ধন আহৰণ কৰিব পৰা নাযায়। আপুনি নিজৰ পকেটত যিদৰে নগদ ধন ৰাখিব পাৰে ঠিক সেইদৰে পে টি এমতো ধন জমা ৰাখিব পাৰি। এই ধন কোনো বস্তুৰ বিনিময়ত অনলাইনযোগে প্ৰদান কৰিব পৰা যায়। এ টি এম কাৰ্ড অথবা ডেবিট কাৰ্ডেৰে যিদৰে পেমেণ্ট কৰিব পাৰি ঠিক সেইদৰে পে টি এমেৰেও অনলাইন পেমেণ্ট কৰিব পৰা যায়। ইয়াত মূল্য পৰিশোধ কৰিবলৈ কোনো কাৰ্ডৰ প্ৰয়োজন নহয়। কিন্তু পে টি এম একাউণ্টত ধন ৰাখিবলৈ ডেবিট অথবা ক্ৰেডিট কাৰ্ডৰ প্ৰয়োজন হয়। যিসকলে ডি টি এইচ ৰিচাৰ্জ, মোবাইল ৰিচাৰ্জ অথবা বন্ধুসকললৈ ধন পঠিয়াব লাগে অথবা বিভিন্ন সেৱা যেনে— উবেৰ, ওলা, মেক মাই ট্ৰিপ, বুক মাই চো আদিত খুচুৰাৰ অভাৱত মূল্য পৰিশোধ কৰিবলৈ অসুবিধা পায়, তেনে লোকৰ বাবে পে টি এম বৰ উপকাৰী । পে টি এমৰ সহায়ত এনেবোৰত অতি সহজে পেমেণ্ট কৰিব পৰা যায়। ইয়াক 'অনলাইন ৱালেট' বুলিও কোৱা হয়। প্ৰথম অৱস্থাত পে টি এমৰ জৰিয়তে মোবাইল ৰিচাৰ্জ, ডি টি এইচ ৰিচাৰ্জ অথবা বিল পৰিশোধ কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। কিন্তু যোৱা ১৪ ফেব্ৰুৱাৰী ২০১৪ৰ পৰা পে টি এম ব্যৱস্থাই ই-কমাৰ্চ ক্ষেত্ৰখনকো সামৰি লৈছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকে ইয়াত ধন ৰাখিবলৈ অথবা খৰচ কৰিবলৈ এক মাহেকীয়া সীমা নিৰ্ধাৰণ কৰি দিছে। ব্যক্তিবিশেষে নিজৰ অনলাইন ৱালেটত দহ হাজাৰ টকাৰ ওপৰত ৰাখিব নোৱাৰে অথবা ইয়াৰ সহায়ত দহ হাজাৰ টকাৰ ওপৰত বজাৰো কৰিব নোৱাৰে। ইয়াৰ উপৰি এই ৱালেটৰ ঊৰ্ধ্বসীমা এক লাখ টকাও কৰিব পৰা যায়। কিন্তু তাৰ বাবে এই একাউণ্টতটো কে ৱাই চি প্ৰক্ৰিয়াৰে সত্যাসত্য প্ৰমাণ কৰিব লাগিব।

**পে টি এম একাউণ্ট কেনেকৈ খুলিব পাৰি ঃ**

পে টি এম একাউণ্ট খোলাৰ ক্ষেত্ৰত কোনো জটিলতা নাই। আপুনি অতি সহজে পে টি এম ৱেব ছাইটত ইয়াৰ একাউণ্ট খুলিব পাৰে। তলত পে টি এম একাউণ্ট কেনেকৈ খুলিব পাৰি সেই বিষয়ে দিয়া হ'ল ঃ

❒ প্ৰথমতে google ত গৈ paytm লিখি সন্ধান কৰক আৰু paytmক নিজৰ browser ত খোলক অথবা url ত গৈ পোনপটীয়াকৈ www.paytm.com লিখি এণ্টাৰ কৰক। পে টি এম খোল খালে sign up ত ক্লিক কৰক।

❒ sing upত ক্লিক কৰাৰ পিছত আপোনাৰ বিষয়ে বিচৰা তথ্যসমূহ খালী ঠাইসমূহত পূৰণ কৰক।

(১) নিজৰ মোবাইল নম্বৰটো দিয়ক।



(২) আপোনাৰ email ID দিয়ক (এইটো অপচনেল)।

(৩) আপোনাৰ পাছৱৰ্ড দিয়ক। (এইখিনিতে এটা কথা মনত ৰাখিব যাতে আপোনাৰ পাছৱৰ্ডটো সম্পূৰ্ণ গোপনীয় হয়।)

(৪) Create Your Paytm Wallet ত ক্লিক কৰক।



❒ এতিয়া আপোনাৰ সন্মুখত যিখন নতুন window খোল খাব তাত বিচৰা তথ্যসমূহ পূৰণ কৰক।

(১) আপোনাৰ যিটো মোবাইল নম্বৰ দিয়া হৈছিল তাত এটা OTP Code আহিব, সেইটো ইয়াত দিয়ক।

(২) আপোনাৰ নাম লিখক আৰু আপোনাৰ উপাধি দিয়ক।

(৩) আপোনাৰ লিংগ নিৰ্ধাৰণ কৰক।







(৪) Create Your Paytm Wallet ত ক্লিক কৰক।

❒ পে টি এম নিশ্চিত কৰক।

(১) আপোনাৰ নাম লিখা ঠাইৰ কাষত থকা মানুহৰ চিহ্নটোৰ কাষলৈ mouse courser টো লৈ গ'লে Option খোল খাব।

(২) view profile ত ক্লিক কৰক।



❒ ই-মেইল আই ডি নিশ্চিত কৰক।

(১) Personal Info ত ক্লিক কৰক।

(২) Verify Email ত ক্লিক কৰক।



❒ আপোনাৰ ই-মেইল একাউন্ট খোলক।

(১) আপোনাৰ ই-মেইল খোল খালে তাত পে টি এমৰ আদৰণি মেইল আহিব।

(২) আপোনাৰ পে টি এমৰ পৰা যিখন মেইল আহিল সেইখন খোলক।

❒ পৰৱৰ্তী পৰ্যায়ত মেইলখনত থকা Click Here ত ক্লিক কৰি আপোনাৰ একাউন্টটো নিশ্চিত কৰক।

**পে টি এম ৱালেটত ধন কেনেকৈ জমা তথা সংযোজন কৰিব পাৰি ঃ**

পে টি এম একাউন্ট খোলাৰ পিছত কোনো বস্তুৰ মূল্য পৰিশোধ কৰিবলৈ ডেবিট কাৰ্ড, ক্ৰেডিট কাৰ্ড অথবা নেট বেংকিঙৰ সহায় লোৱা হয়। পে টি এমৰ সকলো ব্যৱহাৰকাৰীৰে সুকীয়া একাউন্ট থাকে, ইয়াক পে টি এম



ৱালেট বুলি কোৱা হয়। বেংকৰ একাউন্টৰ দৰেই ইয়াত ধন জমা কৰি থ'ব পাৰি। পে টি এম ৱালেটত ধন জমা থাকিলে কোনো বস্তুৰ মূল্য পৰিশোধ কৰিবলৈ প্ৰতিবাৰেই আমি ডেবিট কাৰ্ড, ক্ৰেডিট কাৰ্ড নাইবা নেট বেংকিঙৰ সহায় লোৱাৰ প্ৰয়োজন নহয়। পে টি এমত ধন সংযোজন কৰিবলৈ প্ৰথমতে পে টি এমৰ হোম পেজত থকা Add Moneyত ক্লিক কৰক।

আপুনি পে টি এম ৱালেটত যিমান পৰিমাণৰ ধন জমা তথা সংযোজন কৰিব বিচাৰে সেই ধনৰাশি উল্লেখ কৰক আৰু Add Money to Walletত ক্লিক কৰক। ধন সংযোগ কৰিবলৈ প্ৰথমে ডেবিট কাৰ্ডৰ সুবিধা পাব। যদিহে আপোনাৰ ওচৰত ডেবিট কাৰ্ড আছে তেন্তে সেই কাৰ্ডৰ নম্বৰ, ম্যাদৰ তিথি (expire date) আৰু CVV নম্বৰ দি Pay Nowত ক্লিক কৰক। এতিয়া আপোনাৰ ডেবিট কাৰ্ডৰ পঞ্জীয়নভুক্ত মোবাইল নম্বৰলৈ মেছেজযোগে অহা OTP Code টো নিৰ্দিষ্ট স্থানত দি Doneত ক্লিক কৰক (পে টি এম ৱালেটত জমা কৰিব বিচৰা ধন আপোনাৰ ডেবিট কাৰ্ডৰ একাউন্টত থকাটো প্ৰয়োজনীয়)। ডেবিট কাৰ্ডৰ সলনি নেট বেংকিঙৰ সহায় লৈয়ো আপুনি পে টি এমত ধন জমা তথা সংযোজন কৰিব পাৰে। নেট বেংকিঙৰ সহায়ত পে টি এমত ধন সংযোজন কৰিবলৈ প্ৰথমে Net Bankingত ক্লিক কৰক। তাৰ পাছত বেংকৰ নামসমৃদ্ধ তালিকাৰ পৰা আপোনাৰ নেট বেংকিং থকা নামটো নিৰ্বাচন কৰক আৰু Pay Nowত ক্লিক কৰক। এতিয়া নিজৰ user name আৰু password দি পেইমেণ্ট প্ৰক্ৰিয়া সম্পূৰ্ণ কৰক।

যোৱা আঠ নৱেম্বৰত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাঁচশ আৰু এহেজাৰ টকীয়া নোট নিষিদ্ধ ঘোষণা কৰাৰ পিছতে দেশৰ জনসাধাৰণৰ মাজত পে টি এম ব্যৱহাৰ কৰা লোকৰ সংখ্যা বৃদ্ধি পোৱা দেখা গৈছে। পে টি এম ব্যৱহাৰৰ জৰিয়তে বজাৰত দেখা দিয়া নগদ ধনৰ অভাৱৰ সমস্যাৰ লগতে দীঘলীয়া শাৰী পাতি এ টি এমৰ পৰা ধন উলিওৱাৰ সমস্যাৰ পৰাও জনসাধাৰণক পৰিত্ৰাণ পোৱা দেখা গৈছে। মোবাইল টেক্‌ন'ল'জীৰ এই যুগত পে টি এম ব্যৱস্থাই দেশৰ অৰ্থনীতিত যুগান্তকাৰী পৰিৱৰ্তন অনাৰ লগতে আমাক নগদবিহীন সমাজ নিৰ্মাণ কৰাত সহায় কৰিব। ❒❒



# মুখ্য মন্ত্ৰীৰ সৈতে মত বিনিময়

ঠিকনা ঃ
মুখ্য মন্ত্ৰীৰ কাৰ্যালয়
চি এম ব্লক
জনতা ভৱন
দিছপুৰ, গুৱাহাটী ঃ ৭৮১০০৬
অসম
ফোন ঃ ০৩৬১-২২৬২২২২ (কাৰ্যালয়), ০৩৬১-২২৩৭০৪৩ (আবাস)

আপোনাৰ মতামত বা পৰামৰ্শ আগবঢ়াওক

| | |
|---|---|
| আই ভি আৰ এছ ফোন নং | : 0361-2313000 |
| ই-মেইল | : cm@assam.gov.in |
| ৱেব ছাইট | : http://www.cm.assam.gov.in |
| ফেচবুক | : https://www.facebook.com/SarbanandaSonowal/ |
| টুইটাৰ | : (@sarbanandsonwal ) https://twitter.com/sarbanandsonwal |

# Interact with Chief Minister

Address:-
Chief Minister Office
CM Block
Janata Bhavan
Dispur, Guwahati:781006
Assam
Phone: 0361-2262222 (O), 0361-2237043(R)

Give your input or suggestion through following channel:-

| | |
|---|---|
| IVRS Phone No | : 0361-2313000 |
| E-mail | : cm@assam.gov.in |
| Web-Site | : http://www.cm.assam.gov.in |
| Facebook | : https://www.facebook.com/SarbanandaSonowal/ |
| Twitter | : (@sarbanandsonwal ) https://twitter.com/sarbanandsonwal |